# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 19-09-2024
**Time :** 17-15 Hrs.

***Assamese Evening Bulletin***

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ ১০০ দিন পূৰ হোৱাৰ সৈতে সংগতি ৰাখি বিকশিত ভাৰতৰ পথত অগ্ৰসৰ হোৱাৰ এশ দিন উপলক্ষে চৰকাৰে **নাগৰিক প্ৰথম পন্থাৰে** প্ৰশাসন ব্যৱস্থা পৰিচালনাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই প্ৰসংগত কয় যে, চৰকাৰক জনসাধাৰণৰ ওচৰ চপাই নিয়াৰ লগতে প্ৰতিগৰাকী নাগৰিকক প্ৰশাসনীয় ব্যৱস্থাৰ সক্ৰিয় অংশগ্ৰহণকাৰী হিচাপে গঢ় দিয়াৰ লক্ষ্যৰে এই ব্যৱস্থা ৰূপায়ণ কৰা হৈছে। ইয়াৰ অধীনত একীকৃত পেঞ্চন আঁচনিৰ অধীনত ২৩ লাখ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীলৈ মূল দৰমহাৰ ৫০ শতাংশ পেঞ্চন নিশ্চিত কৰা হৈছে। তদুপৰি অৱসৰপ্ৰাপ্ত প্ৰতিৰক্ষা জোৱান আৰু তেওঁলোকৰ পৰিয়ালৰ কল্যান নিশ্চিত কৰাৰ লক্ষ্যৰে এটা পদবী এটা পেঞ্চন আঁচনি সংশোধন ঘটোৱা হৈছে। কেন্দ্ৰীয় মন্ত্ৰালয় আৰু বিভাগসমূহৰ দ্বাৰা চৰকাৰী চাকৰিত ১৫ হাজাৰৰো অধিক যুৱক-যুৱতীক নিযুক্তি পত্ৰ বিতৰণ কৰা হৈছে। ইফালে শাস্তিৰ পৰিৱৰ্তে ন্যায়ৰ ওপৰত গুৰুত্ব আৰোপ কৰি ঔপনিবেশিক আইনসমূহৰ ৰূপান্তৰ ঘটাই ৩ খন নতুন ফৌজদাৰী আইন ৰূপায়ণ কৰা হৈছে। সময়োচিত আৰু বিজ্ঞান সন্মত প্ৰমাণ পৰীক্ষণৰ বাবে ২ হেজাৰ ২৫০ কোটি টকা বাজেট ধাৰ্য কৰি ৰাষ্ট্ৰীয় ফৰেনচিক আন্তঃগাঠনি বৰ্ধন আঁচনি ৰূপয়ণ কৰা হৈছে। ইপিনে, নিয়োগৰ ক্ষেত্ৰত পৰীক্ষা অনুষ্ঠিত কৰাৰ সময়ত প্ৰশ্নকাকত ফাদিল হোৱা ঘটনা ৰোধ আৰু স্বচ্ছতা নিশ্চিতকৰণৰ বাবে ৰাজহুৱা পৰীক্ষাত অনিয়ম প্ৰতিৰোধ আইন প্ৰৱৰ্তন কৰা হৈছে। এই সময়ছোৱাত ওড়িশা, ঝাৰখণ্ড, বিহাৰ, পশ্চিমবংগ, আৰু অন্ধ্ৰপ্ৰদেশৰ সৰ্বাঙ্গীন উন্নয়নৰ লক্ষ্যৰে পূৰ্বোদয় পৰিকল্পনা ৰূপায়ণ কৰাৰ লগতে জৰুৰীকালিন সময়ছোৱাত সংবিধান উলংঘনৰ ঘটনা স্মৰণ কৰি ২৫ জুনত সংবিধান হত্যা দিৱস পালন কৰা হয় বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০

ৰাজ্যত মহিলা সৱলীকৰণৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে আজি অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় মুকলি কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দিছপুৰ জনতা ভৱনৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনি মুকলি কৰি কয় যে, ৰাজ্যৰ ৩৭ লাখ পৰিয়ালে প্ৰতিমাহে এহেজাৰ ২৫০ টকাকৈ সাহায্য লাভ কৰাটো নিশ্চিত কৰিবলৈ ১২৬টা বিধানসভা সমষ্টিৰ মহিলাসকলৰ সৈতে আজি এই যাত্ৰা আৰম্ভ কৰা হয়। মুখ্যমন্ত্ৰীয়ে অহা কেইসপ্তাহমানৰ ভিতৰতে এই অভিলাষী আঁচনিৰ অধীনত ১২ লাখ হিতাধিকাৰীৰ নাম সন্নিবিষ্ট কৰা হ'ব বুলি উল্লেখ কৰে। এই আঁচনিৰ বাবে বিধবা, ৪৫ বছৰ বয়সৰ ঊৰ্ধৰ অবিবাহিতা, বিবাহ বিচ্ছেদিত আৰু অকলশৰীয়া মহিলাৰ লগতে তৃতীয় লিংগ, দিব্যাংগ, চৰকাৰী পঞ্জীয়নভুক্ত বৃদ্ধাশ্ৰমত থকা মহিলা তথা বয়োজ্যেষ্ঠ বা ৰুগীয়া মহিলা, আশ্ৰয়হীন পৰিয়ালৰ মহিলা, মগনীয়া, অন্ত্যোদয়া অন্ন যোজনাৰ মহিলা হিতাধিকাৰী, বাৰ্ষিক উপাৰ্জন ২ লাখ টকাতকৈ কম হোৱা পৰিয়ালৰ মহিলা, এইছ্ আই ভি, থেলাছেমিয়া আদিত আক্ৰান্ত ৰোগী থকা পৰিয়ালৰ মহিলা আৰু পৰিয়ালৰ উপাৰ্জনক্ষম ব্যক্তিগৰাকী ৬০ বছৰ ঊৰ্ধৰ অথবা দিব্যাংগ হ'লে তেনে ঘৰৰ মহিলাই আবেদন কৰিব পাৰিব।

এফালে ৰাজ্যত আজিৰে পৰা পুনৰ ১৯ লাখতকৈও অধিক লোকক ৰেচন কাৰ্ড প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে এই অনুষ্ঠানৰ উদ্বোধন কৰে। এই উপলক্ষে পাঠশালাত আয়োজিত অনুষ্ঠানত আজি খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আনুষ্ঠানিকভাৱে হিতাধিকাৰীসকলক প্ৰদান কৰে। বিভাগীয় মন্ত্ৰীগৰাকীয়ে ৰেচন কাৰ্ড প্ৰদানৰ সমগ্ৰ ব্যৱস্থাটোত আলোকপাত কৰি কয় যে, ৫৫ লাখতকৈ অধিক ভুৱা ৰেচন কাৰ্ড বাতিল কৰাটো হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ উল্লেখনীয় সফলতা। বিগত সময়ত ৪২ লাখতকৈও অধিক প্ৰকৃত হিতাধিকাৰীক ৰেচন কাৰ্ড প্ৰদান কৰা হৈছে বুলি উল্লেখ কৰি শ্ৰী দাসে কয় যে, পৰৱৰ্তী কেবিনেটত ১৯ লাখ ৯২ হাজাৰ ১৬৭ গৰাকী হিতাধিকাৰীক ৰেচন কাৰ্ড প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

নগাঁও জিলাৰ কলিয়াবৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত কুঁৱৰীটোলত মন্ত্ৰী কেশৱ মহন্তই স্থানীয় নতুন হিতাধিকাৰীসকলক ৰেচন কাৰ্ড প্ৰদানৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে।

০০০০

অবৈধ ট্ৰেডিঙৰ গোচৰত অভিযুক্ত জিংকি মিলিয়ে লাভ কৰা অন্তৰ্ৱৰ্তীকালীন জামিন নাকচ কৰাৰ বাবে ৰাজ্য চৰকাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰিছে। ৰাজ্য চৰকাৰৰ হৈ লোক অধিবক্তা মাখন ফুকনে দাখিল কৰা আবেদনখনৰ শুনানি অহা ২৩ ছেপ্তেম্বৰত গ্ৰহণ কৰা হ'ব। অবৈধ ট্ৰেডিঙৰ লগত জড়িত থকাৰ বাবে ইতিমধ্যে গ্ৰেপ্তাৰ হোৱা চুমী বৰাৰ আত্মীয় জিংকি মিলিয়ে এই জামিন লাভ কৰাৰ পাছতে ৰাজ্য চৰকাৰে অতিৰিক্ত লোক অধিবক্তা বিদ্যুৎ বিকাশ গগৈক পদৰ পৰা অপসাৰণ কৰাৰ লগতে লোক অধিবক্তা কাৰ্যালয়ৰ তিনিজন জ্যেষ্ঠ প্ৰশাসনিক বিষয়াকো চাকৰিৰ পৰা নিলম্বন কৰা হয়। ইয়াৰ পাছতে ৰাজ্য চৰকাৰে জিংকি মিলিৰ অন্তৰ্ৱৰ্তীকালীন জামিন নাকচ কৰাৰ বাবে উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে।

০০০০০

বাংগালুৰুৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত আজি বাংলাদেশৰ বিৰুদ্ধে অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ প্ৰথম ইনিংছত ভাৰতে বৰ্তমানলৈ ৬টা উইকেট হেৰুৱাই ৩৩৯ ৰান কৰি খেলি আছে।

০০০০

সমাপ্ত